Total No. of Printed Pages—11

**B19–AS**

**Subject Code : 01**

Google Play
SEBA/HSLC
পুৰণি
প্ৰশ্ন কাকত
Download Now!
HSLC Question Paper
BELLAL HOSSAIN MONDAL©

**2019**

## ASSAMESE

## ( Modern Indian Language )

*Full Marks* : 100

*Pass Marks* : 30

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions.*

পৰীক্ষাৰ্থীয়ে একেখন বহীত **GROUP—A** (ক—বিভাগ) আৰু **GROUP—B** (খ—বিভাগ)-ৰ উত্তৰ কৰিব লাগিব।

অথবা

**GROUP—A** (ক—বিভাগ) আৰু **GROUP—C** (গ—বিভাগ)-ৰ উত্তৰ একেখন বহীত কৰিব লাগিব।

## GROUP—A

( ক—বিভাগ )

( মূল্যাংক : ১৫ )

১। তলৰ যি কোনো দুটাৰ অতি চমু উত্তৰ লিখা : ১×২=২

(ক) 'সাহিত্যই জীৱনৰ অমিয়া' নামৰ পাঠটি লেখকৰ কোনখন পুথিৰ পৰা তুলি দিয়া হৈছে ?

(খ) কোনখন পুথিৰ বাবে বন্দিতা ফুকনে অসম প্ৰকাশন পৰিষদৰ বঁটা লাভ কৰে ?

(গ) ব'দ নপৰা চেঁচা আৰু জেকা ঠাইক কি বোলে ?

২। চমু উত্তৰ লিখা : ২

(ক) "পুৰণি ভাৰত বুৰঞ্জী যেনেকৈ অভিমানৰ বুৰঞ্জী তেনেকৈয়ে সমন্বয়ৰো বুৰঞ্জী।" —কথাষাৰ মুকলিকৈ বুজাই লিখা।

নাইবা

(খ) অসমীয়া জনগোষ্ঠীৰ ধাৰক বুলি কোনসকলক বুজায় ?

৩। তলৰ যি কোনো এটা প্ৰশ্নৰ উত্তৰ লিখা : ৪

(ক) ছুটীৰ আগদিনা গাড়ীৰ চাবিটো পবিনে ছাৰৰ ওচৰত জমা দিওঁতে ছাৰে পবিনক কি কৈছিল ?

(খ) "পঢ়াই, পঢ়ে বোৱে পাণ।
এই তিনিয়ে নিচিন্তে আন।"
—তাৎপৰ্য বিচাৰ কৰা।

BELLAL HOSSAIN MONDAL

৪। তলৰ যি কোনো এটা প্ৰশ্নৰ উত্তৰ লিখা : ৫

(ক) "ভাৰতীয় সংস্কৃতি এক বিৰাট সমন্বয়ৰ বস্তু।" —কথাষাৰ কিমানদূৰ যুক্তিপূৰ্ণ, 'ভাৰতীয় সংস্কৃতি' পাঠৰ আধাৰত বুজাই লিখা।

(খ) "এটা সংমিশ্ৰিত সংস্কৃতিসম্পন্ন জাতি, ইয়াক নুই কৰাৰ কোনো যুক্তি-তৰ্কৰ অৱকাশ নাই।"—ইয়াত লেখকে কাক আৰু কি সংস্কৃতিসম্পন্ন জাতি বুলি কৈছে? "নুই কৰাৰ কোনো যুক্তিতৰ্কৰ অৱকাশ নাই" বোলা কথাষাৰৰ সত্যাসত্যতা পাঠৰ সহায়ত বিচাৰ কৰা।

৫। তলৰ যি কোনো এটা প্ৰশ্নৰ অতি চমু উত্তৰ লিখা : ১

(ক) তোমাৰ পাঠ্যপুথিৰ অন্তৰ্গত বৰগীতটিত কবিয়ে 'বান্ধৱ' বুলি কাক সম্বোধন কৰিছে?

(খ) জিকিৰবোৰক কিহৰ লগত তুলনা কৰিব পাৰি?

৬। তলৰ যি কোনো এটা প্ৰশ্নৰ উত্তৰ লিখা : ২

(ক) মাধৱদেৱৰ ৰচনাসমূহ কেইটা ভাগত ভগাব পাৰি? ভাগকেইটাৰ নাম লিখা।

(খ) জোৰোণ কি? বহাগীৰ বিয়াত কোনে জোৰোণ পিন্ধাবলৈ আহিছে?

৭। তলৰ যি কোনো এছোৱা ব্যাখ্যা কৰা : ৪

(ক)
জড়-জগতত জীৱ-জগতত
পাওঁ সকলোতে দেখা,
মহাবিশ্ব জুৰি বিৰিঙিছে যেন
আনন্দৰ পূৰ্ণ ৰেখা।

(খ)
সজাৰ মইনাটিৰ অনেক যুগুতি।
দেও মাৰি পাৰ হ'লে এৰিলে পিৰীতি॥

BELLAL HOSSAIN MONDAL

৮। (ক) 'দৃশ্যান্তৰ' কবিতাটোৰ মূল ভাব লিখা। ৫

*নাইবা*

(খ) ভাৰতবৰ্ষত বিভিন্নতাৰ মাজত ঐক্য 'মোৰ দেশ মানুহৰ দেশ' কবিতাটোত কেনেদৰে প্ৰকাশ পাইছে, বুজাই লিখা।

৯। অতি চমুকৈ উত্তৰ লিখা : ১×২=২

(ক) *(i)* ভাৰতৰ দ্বিতীয়গৰাকী ৰাষ্ট্ৰপতি কোন?

*(ii)* জনজাতীয় গোষ্ঠীক অন্য এটা কি নামেৰে জনা যায়?

*নাইবা*

(খ) *(i)* জ্যোতিৰ্বিজ্ঞানী ট'লেমীৰ দ্বাৰা ৰচিত বিশ্বকোষসদৃশ প্ৰভাৱশালী গ্ৰন্থখনৰ নাম কি?

*(ii)* ইৰাণৰ ইছলামিক গণতন্ত্ৰৰ প্ৰতিষ্ঠাতা কোন?

১০। তলৰ যি কোনো দুটাৰ উত্তৰ লিখা : ২×২=৪

(ক) কি ৰহস্য ভেদ কৰিবলৈ মানুহৰ কি কি বৃত্তিয়ে চিৰকাল চেষ্টা কৰি আছে, বুজাই লিখা।

(খ) "উদৰ সাতপুৰুষ মৰিল কেঁচা মাছ খাই, বান্দৰৰ সাতপুৰুষ মৰিল ডাল কোৰাই।" —লেখক ডিম্বেশ্বৰ নেওগদেৱে উক্ত নীতিবচনটো পাঠটিত কি অৰ্থত উল্লেখ কৰিছে?

(গ) পৰিনে বিয়াৰ নিমন্ত্ৰণী চিঠিখন ছাবৰ হাতত দি কি কৈছিল আৰু ছাবে কি বুলি কৈছিল?

১১। চমু উত্তৰ লিখা (যি কোনো তিনিটা) : ২×৩=৬

(ক) ১৫৪৩ খ্ৰীষ্টাব্দত প্ৰকাশ হোৱা যুগান্তকাৰী গ্ৰন্থ দুখনৰ নাম কি আৰু লেখক দুগৰাকী কোন?

(খ) নিউটনক বন্দনা কৰি কবি পোপে কি দুশাৰী কবিতা লিখিছিল?

(গ) ইৰাণৰ শাসক নাদিৰ শ্বাহৰ বাজত্বই ভাৰতবৰ্ষত কি বিভীষিকাৰ সৃষ্টি কৰিছিল?

(ঘ) তেলৰ বাবে চলোৱা খনন কাৰ্যত 'মাডলগিং' আহিলাসমূহৰ ভূমিকা কি?

১২। তলৰ যি কোনো দুটা প্ৰশ্নৰ অতি চমু উত্তৰ লিখা : ১×২=২

(ক) ওষ্কাৰধাম ক'ত?

(খ) আইন অমান্য আন্দোলন কেতিয়া হৈছিল?

(গ) 'মধুসূদনৰ দলং' নামৰ গল্প-পুথিখনৰ ৰচক কোন?

BELLAL HOSSAIN MONDAL

১৩। উত্তৰ লিখা : ৩×২=৬

(ক) *(i)* "সনক সনন্দ যোগী যাহাকু ধিয়ায়।
সকল নিগমে যাক বিচাৰি নাপায়॥"
—ইয়াত কবিয়ে কি প্ৰসংগত, কাৰ বিষয়ে আৰু কিয় এনেদৰে কৈছে?

*নাইবা*

*(ii)* "আচমানৰ কুটুৰ তৰা আদমৰ জাত।
সজাত মইনা আছে ঘনে লগায় মাত॥"
—অন্তৰ্নিহিত অৰ্থটি বুজাই লিখা।

(খ) *(i)* 'মৈত্ৰী আৰু অহিংসাৰ শলিতা জ্বলোৱা' মানে কি?

নাইবা

*(ii)* "সময়টো আছিল গধূলি।
তেওঁ নঙলামুখত বিচাৰি ফুৰিছিল
নিজৰ ঘৰৰ পদূলি।"

—নিজৰ ঘৰ বিচাৰি হাবাথুৰি খোৱা মানুহজন কিদৰে সন্তীয়া সভ্যতাৰ মাজত হেৰাই গ'ল, বৰ্ণনা কৰা।

১৪। তলৰ যি কোনো পাঁচটা প্ৰশ্নৰ উত্তৰ লিখা : ২×৫=১০

(ক) তলত দিয়া যি কোনো দুটাৰ ব্যাসবাক্যসহ সমাসৰ নাম লিখা :
পদ্মাঙ্গুল ; যোগভ্ৰষ্ট ; শতাব্দী।

(খ) তলৰ যি কোনো দুটা শব্দৰ সন্ধি ভাঙা :
হিমালয় ; ষড়ানন ; সঞ্চয়।

(গ) তলত দিয়া বাক্যটি সৰল বাক্যলৈ পৰিৱৰ্তন কৰা :
সঁচা কথা ক'বা, তেতিয়া সকলোৱে মৰম কৰিব।

(ঘ) তলত দিয়া যি কোনো দুটা শব্দৰ 'ণ' বা 'ষ' হোৱাৰ কাৰণ লিখা :
স্পষ্ট ; ঘণ্টা ; কৃষ্ণ।

(ঙ) যথাস্থানত যতি চিহ্ন বহুওৱা :
তেওঁ ক'লে মনত ৰাখিবা তুমি অসমৰ বীৰ সন্তান

(চ) তলৰ যি কোনো দুটাৰ অৰ্থ প্ৰকাশ হোৱাকৈ একোটি বাক্য ৰচনা কৰা :
জয় দেউ কাকূতি ; উনৈশত বা বলা ; ঠেক ছিগা।

(ছ) তলৰ যি কোনো দুটা শব্দৰ বিপৰীতাৰ্থক শব্দ লিখা :
বিস্তৃত ; প্ৰাচ্য ; আবিৰ্ভাৱ।

(জ) এটা শব্দত প্ৰকাশ কৰা (যি কোনো দুটা) :
ততালিকে বুদ্ধি উলিয়াব পৰা শক্তি ; ৰাতিপুৱাই যাৰ নাম স্মৰণ কৰা উচিত ; নেজ নসৰা বেঙৰ পোৱালি।

(ঝ) তলৰ যি কোনো দুটা শব্দত কি প্ৰত্যয় লগ লাগিছে, ভাঙি দেখুওৱা :
যুঁজাৰু ; নাচনিয়াৰ ; লেখক।

BELLAL HOSSAIN MONDAL

১৫। তলৰ যি কোনো এটা প্ৰশ্নৰ উত্তৰ লিখা : ৪

(ক) ভাব-সম্প্ৰসাৰণ কৰা :

পক্ষী মৰে বৈ, মানুহ মৰে কৈ।

(খ) তোমাৰ বিদ্যালয়ৰ বহিঃবিভাগৰ খেলসমূহৰ অসুবিধা দূৰীকৰণ আৰু প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ বাবে অনুমতি বিচাৰি তোমাৰ বিদ্যালয়ৰ প্ৰধানলৈ তুমি খেল বিভাগৰ সম্পাদক/সম্পাদিকা হিচাপে এখনি আবেদন লিখা। (আবেদনত তোমাৰ নাম, ঠিকনা নিলিখিবা)

(গ) বৰ্তমান অসমৰ বিদ্যালয়বোৰত শিক্ষাৰ পৰিবেশ কেনেধৰণৰ উল্লেখ কৰি, সেই পৰিবেশক শীঘ্ৰে অধিক উন্নত কৰিবৰ বাবে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰি স্থানীয় বাতৰি-কাকতৰ সম্পাদকলৈ এখন প্ৰতিবেদন লিখা।

১৬। তলত দিয়া যি কোনো এটা বিষয়ৰ ওপৰত এখনি ৰচনা লিখা : ৮

(ক) স্কুল আলোচনী আৰু ইয়াৰ উপযোগিতা (আৰম্ভণি—স্কুল আলোচনীৰ প্ৰয়োজনীয়তা—আলোচনী প্ৰকাশৰ অসুবিধা—সামৰণি)

(খ) দৈনন্দিন জীৱনত বিজ্ঞানৰ প্ৰভাৱ (আৰম্ভণি—দৈনন্দিন জীৱন আৰু বিজ্ঞান—বিজ্ঞানৰ ক্ষতিকাৰক দিশ—সামৰণি)

(গ) দূৰদৰ্শন (আৰম্ভণি—উপকাৰিতা—কুপ্ৰভাৱ—সামৰণি)

১৭। তলৰ যি কোনো দুটা প্ৰশ্নৰ উত্তৰ লিখা : ২×২=৪

(ক) "বৃত্তিৰ পইচাখিনি মই জিলমিলক দি দিলে তোমালোকে বেয়া পাবানেকি?"

—কথাষাৰ কোনে, কাক কৈছিল? 'বৃত্তিৰ পইচাখিনি' কিয় জিলমিলক দিব বিচাৰিছিল?

(খ) "আজি স্কুলত ছাগে তোমাক সকলোৱে অভিনন্দন জনাইছে নহয়? জীয়েৰাই ইমানবোৰ পুৰস্কাৰ লাভ কৰিছে।"

—কথাষাৰ কোনে, কাক আৰু কি প্ৰসংগত কৈছিল?

(গ) প্ৰেৰণাৰ অক্ষমতাক লৈ আইতাকৰ প্ৰতিক্ৰিয়া কিধৰণৰ আছিল? প্ৰেৰণাৰ কেনে লাগিছিল?

১৮। তলৰ যি কোনো দুটা চৰিত্ৰৰ চমু পৰিচয় দিয়া : ২×২=৪

(ক) জিলমিল

(খ) সুলেখা

(গ) ভদ্ৰ

BELLAL HOSSAIN MONDAL

## GROUP—B

### ( খ—বিভাগ )

( মূল্যাংক : ২৫ )

১৯। তলৰ যি কোনো দুটা প্ৰশ্নৰ অতি চমু উত্তৰ লিখা : ১×২=২

(ক) স্বৰ্গদেৱ প্ৰতাপসিংহই জয়ন্তীয়া দেশৰ কুশল মংগলৰ বিষয়ে বুজ ল'বলৈ পঠিওৱা কটকীগৰাকীৰ নাম কি?

(খ) বাইলুং দেওধাই কোন?

(গ) ভট্টদেৱৰ গুৰু কোন?

BELLAL HOSSAIN MONDAL

২০। তলৰ যি কোনো তিনিটা প্ৰশ্নৰ চমু উত্তৰ লিখা : ২×৩=৬

(ক) 'আততায়ী' কাক বোলে?

(খ) "বোলে, ভাল কৰি থওক। মিঠি পৰশুলৈ গৈ বং চাব লাগে।"

—কথাষাৰৰ বক্তা কোন? তেওঁ কি উদ্দেশ্যে এইদৰে কৈছিল?

(গ) বুৰঞ্জী অধ্যয়নে ছাত্ৰ-ছাত্ৰীৰ অন্তৰত কেনেধৰণৰ ভাব জগাই তুলিব পাৰে?

(ঘ) "জানা ৰাজা, যুদ্ধৰ সন্মুখত অৰ্জুনে এহি বাক্য বুজি ধনুশৰ এৰি কম্পিত হৈলা, ৰথৰ উপৰত বসিলা।"

—এইদৰে কোনে, কাক কৈছে? অৰ্জুনে কি বাক্য কৈ ৰথৰ ওপৰত বহি পৰিল, তোমাৰ কথাৰে লিখা।

২১। তলৰ যি কোনো দুটা প্ৰশ্নৰ অতি চমু উত্তৰ লিখা : ১×২=২

(ক) শ্ৰীকৃষ্ণৰ প্ৰকৃত মাতৃ কোন?

(খ) শ্ৰীমন্ত শংকৰদেৱৰ সংস্কৃত ভাষাত লিখা একমাত্ৰ তত্ত্বমূলক গ্ৰন্থখনৰ নাম কি?

(গ) "ব্ৰহ্মা আদি কৰি যত চৰাচৰ
মোক সেৱা কৰি যাই।"

—ইয়াত ব্ৰহ্মা আদি চৰাচৰে কাক সেৱা কৰে?

২২। তলৰ যি কোনো দুটা প্ৰশ্নৰ উত্তৰ লিখা : ৩×২=৬

(ক) "মোহোৰ মুখত লাজ লাগে বৰ
তোহোৰ গুণ কহন্তে।"

—কাৰ গুণৰ কথা কোৱা হৈছে? এই গুণবোৰ ক'বলৈ বক্তাৰ কিয় লাজ লাগে, বৰ্ণনা কৰা।

(খ) 'কানাইৰ চাতুৰী' কবিতাটোৰ মূলভাৱ লিখা।

(গ) "যোহি জগত গুৰু তেৰি সততে কৰু
মুকুতি মঙ্গল বিধান॥"

—জগত গুৰু বুলি কাক কোৱা হৈছে? জগত গুৰুজনাৰ গুণানুকীৰ্তন ভটিমাটিত কেনেদৰে কৰা হৈছে, তোমাৰ কথাৰে লিখা।

২৩। তলত দিয়া যি কোনো দুটা শব্দৰ আধুনিক ৰূপ লিখা : ১×২=২

সুজান ; তাসম্বাক ; হাবলি।

২৪। তলৰ বাক্যটি শুদ্ধকৈ লিখা : ১

বিহুত তোমাক গামোচাএখন পঠিয়ান।

BELLAL HOSSAIN MONDAL

২৫। 'হঁক' অনুসৰ্গ ব্যৱহাৰ কৰি এটি বাক্য লিখা। ১

২৬। তলৰ শব্দ দুটাৰ একোটাকৈ সমাৰ্থক শব্দ লিখা : ১

তৰঙ্গ ; কুসুম।

২৭। তলৰ যি কোনো দুটা প্ৰশ্নৰ উত্তৰ লিখা : ২×২=৪

(ক) কবিতাত ছন্দৰ প্ৰয়োজন কি, বুজাই লিখা।

(খ) লেচাৰি ছন্দ কাক বোলে? এটা উদাহৰণ দিয়া।

(গ) 'একাবলী' ছন্দৰ বিষয়ে এটি টোকা লিখা।

## GROUP—C

(গ—বিভাগ)

(মূল্যাংক : ২৫)

**1.** Translate ***any two*** of the following in your mother language : 4×2=8

তলৰ যি কোনো দুটা তোমাৰ মাতৃভাষালৈ অনুবাদ কৰা :

*(a)* ''भोः भागिनेय। एते मम मानुषाः अतीव परिश्रान्ताः, क्षणं विश्रम्य ते पुनः निर्माणकर्म करिष्यन्ति एव'' इति। मातुलस्य एतं वाक्यं श्रुत्वा महावीरः लाचितः क्रोधात् असिना मातुलस्य शिरः छिनत्ति स्म।

*(b)* ततः सर्वैः पशुभिर्मिलकं कृत्वा स सिंहो विज्ञप्तः — देव! किमर्थं सर्वपशुवधः क्रियते? वयमेव भवदाहारार्थं प्रत्यहमेकैकं पशुमुपढौकयामः।

*(c)* अथ राजा गदापाणिम् अप्राप्य जयमतीम् एव राजसभाम् आनीय सकोपम् अपृच्छत्— ''अरे दुर्विनीते! कुत्र पलायितः ते पतिः तत् वद, अन्यथा ते दुर्गतिः ध्रुवा'' इति।

**2.** Answer ***any one*** of the following : 2

তলৰ যি কোনো এটাৰ উত্তৰ লিখা :

*(a)* To whom दुर्जन is compared and why?

দুর্জনক কিহৰ লগত তুলনা কৰা হৈছে আৰু কিয় ?

*(b)* What are the five things formed in a baby in mother's womb?

মাতৃগৰ্ভত থাকোঁতেই শিশুৰ কি কি পাঁচটা বস্তুৰ সৃষ্টি হয় ?

**3.** Answer ***any one*** of the following questions : 2

তলৰ প্ৰশ্নবোৰৰ যি কোনো এটাৰ উত্তৰ লিখা :

*(a)* ''देव! शरणागतस्य मे परित्राणम् अर्हसि कर्तुम्।''

—Who is the speaker of this line? Who is 'शरणागत'? Whom he want to save?

—কথাষাৰৰ বক্তা কোন ? 'शरणागत' কোন ? তেওঁ কাক ৰক্ষা কৰিবলৈ কৈছিল ?

(b) ''गदापाणिः अपि ताम् उपेत्य अवदत्''

—Who is meant by the word 'ताम्' here? What did 'गदापाणि' say?

—ইয়াত 'ताम्' শব্দৰ দ্বাৰা কাক বুজোৱা হৈছে? 'गदापाणि'যে কি কৈছিল?

(c) ''पुरु सगर्वम् अभाषत्''

—What did 'पुरु' say arrogantly? Why he said this?


—'पुरु'এ গৰ্বেৰে কি কৈছিল? কিয় তেওঁ এনেদৰে কৈছিল?

4. Fill in the blanks in the following verse with appropriate words : 3

উপযুক্ত শব্দৰে তলৰ শ্লোকফাঁকিৰ খালী ঠাই পূৰণ কৰা :

_____ पुरुषसिंहमुपैति _____
दैवेन देयमितिति _____ वदन्ति।

*Or* / নাইবা



अल्पानामपि _____ संहति _____
तृणैर्गुणत्वमापन्नो _____ मत्तदन्तिनः।

5. (a) Derive **any two** of the following words : 1½×2=3

তলৰ যি কোনো দুটা পদৰ ব্যুৎপত্তি লিখা :

(i) श्रुत्वा in Q. No. 1 (a)
1 নং (a) প্ৰশ্নত श्रुत्वा

(ii) करिष्यन्ति in Q. No. 1 (a)
1 নং (a) প্ৰশ্নত करिष्यन्ति

(iii) क्रियते in Q. No. 1 (b)
1 নং (b) প্ৰশ্নত क्रियते

(iv) अप्राप्य in Q. No. 1 (c)
1 নং (c) প্ৰশ্নত अप्राप्य

BELLAL HOSSAIN MONDAL

(b) Decline ***any two*** of the following : 1×2=2

তলৰ যি কোনো দুটাৰ শব্দৰূপ লিখাঁ :

(i) 'पितृ' in 2nd case-ending plural

'पितृ' দ্বিতীয়া বিভক্তিৰ বহুবচনত

(ii) 'साधु' in 6th case-ending singular

'साधु' ষষ্ঠী বিভক্তিৰ একবচনত

(iii) 'सखि' in 3rd case-ending dual

'सखि' তৃতীয়া বিভক্তিৰ দ্বিবচনত

(iv) 'अस्मद्' in 4th case-ending singular

'अस्मद्' চতুৰ্থী বিভক্তিৰ একবচনত

(c) Conjugate ***any two*** of the following : 1×2=2

তলৰ যি কোনো দুটাৰ ধাতুৰূপ লিখাঁ :

(i) √गम् + लङ् अन्

(ii) √पा + लट् अन्ति

(iii) √भू + लृट् स्यति

(iv) √ग्रह् + लोट् हि

BELLAL HOSSAIN MONDAL

(d) Frame adjectives from ***any two*** of the following nouns : 1½×2=3

তলৰ যি কোনো দুটা বিশেষ্যৰ পৰা বিশেষণ পদ গঠন কৰাঁ :

अग्निः ; लोकः ; अधुना ; शिक्षा।

***